**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***
***:::::::::::::::::::::::::::::::***

সমাগত স্বাধীনতা দিৱস উপলক্ষে দেশজুৰি আয়োজিত হ'বলগীয়া **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী অসমতো ৰূপায়ণ কৰা হ'ব। এই সম্পৰ্কে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত দিছপুৰৰ জনতা ভৱনত আয়োজিত এখন সভাত কাৰ্যসূচীসমূহ চূড়ান্ত কৰাৰ লগতে পৰ্যালোচনাও কৰা হয়। সভাত অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ আয়োজিত হ'ব লগা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীত গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াসকলক জীৱিকা সখীৰ দ্বাৰা সমগ্ৰ ৰাজ্যতে স্কুটী ৰেলী অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া হয়। সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত অহা ১৩ আগষ্টত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত **ত্ৰিৰংগ সমলয়** শীৰ্ষক দেশপ্ৰেমমূলক গীতৰ এটা অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই অনুষ্ঠানতে চৰকাৰী চাৰু কাৰু কলা মহাবিদ্যালয়ে দেশপ্ৰেম আৰু বিকশিত অসমক বিষয়বস্তু হিচাপে অঁকা এখন বৃহৎ ত্ৰিৰংগ কেনভাছ প্ৰদৰ্শন কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। আনহাতে এই সভাত জনসংযোগ বিভাগক ঘৰে ঘৰে ত্ৰিৰংগ বাৰ্তা প্ৰচাৰৰ বাবে হৰ্ডিং লগোৱাৰ লগতে টেলিভিছন যোগে এই সন্দৰ্ভত প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। গুৱাহাটী পৌৰ নিগমৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানতে ত্ৰিৰংগ উত্তোলনৰ বাবে লগতে পাৰিলে অন্যকো একোখন জাতীয় পতাকা আগবঢ়োৱাৰ বাবে আহ্বান জনাবলৈ নিৰ্দেশ দিয়া হয়।

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত জিলা ক্ৰীড়া আৰু শিক্ষা বিভাগৰ সহযোগত ত্ৰিৰংগা চাইকেল সমদল উলিওৱা হয়। চিৰাং জিলাৰ সহকাৰী আয়ুক্ত নৱজ্যোতি ভাগৱতীয়ে পতাকা জোঁকাৰি এই সমদলৰ শুভাৰম্ভ কৰে। বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই সমদলত জিলা ক্ৰীড়া বিষয়া বিক্ৰম দৈমাৰী, জিলা প্ৰশাসন তথা ক্ৰীড়া বিভাগৰ বিষয়ববীয়া আৰু শিক্ষকসকল উপস্থিত থাকে।

ওদালগুৰি জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত অসম-অৰুণাচল আৰু ভূটান সীমান্তত অৱস্থিত পৰ্যটনস্থলী ভৈৰৱকুণ্ডত সমাগত স্বাধীনতা দিৱস উদযাপনৰ অংশ স্বৰূপে শ্ৰমদান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ওদালগুৰি জিলা আয়ুক্ত জাৱিৰ ৰাহুল সুৰেশে শ্ৰমদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে আয়ুক্তগৰাকীৰ নেতৃত্বত ভৈৰৱকুণ্ডৰ বনভোজস্থলীৰ চৌপাশ পৰিস্কাৰ কৰা হয়। আজিৰ এই শ্ৰমদান কাৰ্যসূচীত জিলাখনৰ আৰক্ষী অধীক্ষক পুস্কিন জৈনৰ লগতে ওদালগুৰি জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন তথা বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলেও শ্ৰমদান কৰে।

০০০০০০০

বাংলাদেশৰ সাম্প্ৰতিক অস্থিৰ পৰিস্থিতিয়ে ভাৰত আৰু বাংলাদেশৰ মাজত বেপাৰ-বাণিজ্যতো প্ৰভাৱ পেলাইছে। চুবুৰীয়া ৰাষ্ট্ৰখনত আৰ্থ-সামাজিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত ধুবুৰী জিলাত ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় নদী বন্দৰ সাময়িকভাৱে বন্ধ হৈ আছে। উল্লেখযোগ্য যে ভাৰত আৰু ভূটান তথা বাংলাদেশৰ পূৰ্ববৰ্তী চৰকাৰৰ সৈতে হোৱা এটা এলানী আলোচনামৰ্মে ভাৰতীয় অভ্যন্তৰীণ জলমাৰ্গ প্ৰাধিকৰণৰ ধুবুৰী জিলাত থকা এই নদী বন্দৰটোৰে ভূটানৰ পৰা বাংলাদেশৰ ছিলমাৰী নদী বন্দৰলৈ শিল পঠিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু বাংলাদেশত উদ্ভৱ হোৱা অস্থিৰতাৰ বাবে ভাৰত চৰকাৰে সদ্যহতে সাময়িকভাৱে এই ব্যৱসায় বন্ধ কৰি ৰাখিছে।

০০০০০০০

গোৱালপাৰা জিলাৰ গাঁও পঞ্চায়তসমূহত আজি জল জীৱন মিছনৰ হিতাধিকাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মতামত গ্ৰহণৰ লগতে পানীৰ সঠিক ব্যৱহাৰ, বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে **জল সচেতনতা অভিযান** ৰূপায়ণ কৰা হয়। গোৱালপাৰাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তাই ধূপধৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত জল জীৱন মিছনৰ পানীযোগান আঁচনি পৰিদৰ্শন কৰি হিতাধিকাৰী ৰাইজৰ মতামত গ্ৰহণ কৰে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘলৰ পৰিকল্পনা অনুসৰি জল জীৱন মিছন আঁচনিৰ জৰিয়তে ৰাইজে খোৱাপানী কিদৰে লাভ কৰি আহিছে সেই সম্পৰ্কে চালিজাৰি চোৱা হয়। জিলাখনৰ ৮১খন গাঁও পঞ্চায়তৰ ভিতৰত ৫২ খন গাঁও পঞ্চায়তৰ ৭৪টা পানী যোগান আঁচনি পৰিদৰ্শনৰ বাবে একোগৰাকীকৈ চৰকাৰী বিষয়া প্ৰেৰণ কৰা হয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ইউনেস্ক’ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত খিলঞ্জীয়া তথা জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ আয়ুক্ত সচিব ৰঞ্জন শৰ্মাৰ লগতে পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালিকা ডং দীপিৰেখা কৌলি উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই।

০০০০০০০০

স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত কোকৰাঝাৰ জিলা কাৰাগাৰৰ অধীক্ষকৰ উদ্যোগত কয়দীসকলে আজি এটা ছাফাই অভিযান চলায়। কাৰাগাৰ অপৰাধীক বন্দী কৰি ৰখা কেন্দ্ৰৰ বিপৰীতে একপ্ৰকাৰৰ সংশোধনাগাৰহে বুলি মন্তব্য কৰি জিলা কাৰাগাৰৰ অধীক্ষক ৰবিৰাম ইংতিয়ে কয়দীসকলক বিভিন্ন ধৰণৰ উৎকৰ্ষ সাধনৰ কাৰ্যসূচীত নিয়োগ কৰাৰ সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। এই উদ্দেশ্যেৰে অধীক্ষকগৰাকীৰ উদ্যোগত কয়দীসকলে নিৰ্মাণ কৰা কিছুসংখ্যক ডাষ্টবিন আজি কোকৰাঝাৰ চহৰৰ বিভিন্ন স্থানত ৰখা হয়। শ্ৰী ইংতিয়ে আজিৰ কাৰ্যসূচীৰ সন্দৰ্ভত সাংবাদিকৰ সৈতে মত বিনিময় কৰি কয় যে, এনেধৰণৰ উদ্যোগে কয়দীসকলৰ কাৰাগাৰৰ পৰা মুক্তিলাভৰ পাছত সমাজৰ সৈতে মিলি থকাত সহায়ক হয়।

০০০০০০০০

সমাপ্ত